# ।। নগাওঁ ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদকৰ ২০২৪-২০২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন।।

প্ৰতি নগাঁও ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি আৰু মাননীয় কাৰ্য্যকৰী সদস্যবৃন্দ আৰু বিভিন্ন ক্লাৱৰ পৰা অহা সন্মানীয় প্ৰতিনিধি সকল আজি অসমৰ ঐতিহ্যমণ্ডিত নগাওঁ ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে মোৰ দুই বছৰ কাৰ্য্যকাল পূৰ্ণ হ'ল। বিগত বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন আপোনালোকৰ আগত দাখিল কৰিব ওলাইছো। এই বছৰটোৰ কাৰ্য্যকালৰ ভিতৰত সকলোৰে সহযোগত যিখিনি কাম সম্পূৰ্ণ কৰা হ'ল, সেইখিনি আপোনালোকৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতেই আমাৰ মাজৰ পৰা অকালতে আঁতৰি যোৱা বিগত বৰ্ষত মৃত্যুবৰণ কৰা বিশিষ্ট ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, খেলুৱৈ, ৰেফাৰী, আম্পায়াৰ, শিল্পী, ৰাজনীতিবিদ, শিক্ষাবিদ ও বিশিষ্ট সমাজ-সেৱক আদি সকলৰ বাবে গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো।

আমাৰ দুবছৰীয়া কাৰ্য্যকালত নগাঁও ক্ৰীড়া সংস্থাৰ ঐতিহ্যমণ্ডিত ফুটবলৰ ইতিহাস পুনৰ উজ্জীৱিত কৰি এই বছৰৰ ইং ২৮-০৭-২০২৪ পৰা ১১-০৮-২০২৪ তাৰিখলৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ডাঃ বি. চি. ৰয় ট্ৰফী জুনিয়ৰ ফুটবল প্ৰতিযোগিতাখনি আয়োজন কৰি নগাঁৱৰ ক্ৰীড়া ক্ষেত্ৰত পুনৰ এক ফুটবল জাগৰণৰ লগতে নগাঁওৱাসীৰ শলাগ পাবলৈ সক্ষম হৈছিলো। এই ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ আয়োজনৰ ক্ষেত্ৰত অসম ফুটবল সন্থাই আমাক যি সুযোগ দিলে তাৰবাবে আমি অসম ফুটবল সন্থাৰ ওচৰত চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও ক্ৰীড়া সংস্থাৰ সভাপতিকে প্ৰমূখ্য কৰি সকলো কাৰ্য্যনিৰ্বাহক সদস্য লগতে শুভাকাংক্ষী সকলৰ সহযোগিতাই প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হৈছিল।

ডাঃ বি. চি. ৰয় ট্ৰফী ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত দেশৰ মুঠ তেইশখন ৰাজ্যিক দলে অংশগ্ৰহণ কৰিছিল। নগাঁওবাসী ৰাইজৰ কাৰণে সেইকেইটা দিন এক উৎসৱমুখৰ পৰিবেশ দেখা পোৱা গৈছিল।

এই প্ৰতিযোগিতাৰ শুভ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে সন্মানীয় মন্ত্ৰী শ্ৰীযুত পিযুষ হাজৰিকাদেৱৰ লগতে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাদেৱ আৰু লগতে অসম ফুটবল সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীসংগ্ৰম ব্ৰহ্ম আদিয়ে।

প্ৰতি বছৰৰ দৰে এই বছৰো নগাঁও ক্ৰীড়া সংস্থাৰ দ্বাৰা ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাখনি অসম তথা উত্তৰ-পূৱৰ ৰাজ্যৰ আৰু অসমৰ বাহিৰৰ দুটা দলক লৈ আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতাৰ শুভ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে স্থানীয় বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাদেৱ আৰু লগতে সন্মানীয় অতিথি হিচাপে ভাৰতৰ ফুটবল দলৰ প্ৰখ্যাত খেলুৱৈ ও প্ৰাক্তন অধিনায়কদ্বয় শ্ৰীভাস্কৰ গাংগুলী আৰু মঃ ছাবিৰৰ আলীৰ লগতে নগাঁও জিলাৰ আয়ুক্ত শ্ৰীনৰেন্দ্ৰ কুমাৰ শ্বাহ, আই. এ. এছ. আৰু নগাঁৱৰ আৰক্ষী অধীক্ষক শ্ৰীস্বপ্ননীল ডেকা, এ. পি. এছ. উপস্থিত আছিল। প্ৰতিযোগিতাৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিধায়ক শ্ৰীযুত ৰূপক শৰ্মা আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে শ্ৰীযুত সীমান্ত বৰা, উপাধ্যক্ষ, নগাঁও পৌৰসভা আৰু শ্ৰীযুত মণি মাধৱ মহন্ত, অধ্যক্ষ, অসম বীজ ও বৃক্ষৰোপন কৰ্প'ৰেশ্বনৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ সমূহ বিষয়ববীয়াসকল। পুৰস্কাৰ বিতৰণী অনুষ্ঠানত সকলো সন্মনীয় অতিথিৰ দ্বাৰা বিজয়ী মনিপুৰৰ আচুফি ফুটবল দল আৰু বিজিত দুলিয়াজানৰ অইল ইণ্ডিয়া এফ. চি. দলক বটা সমূহ প্ৰদান কৰা হয়।

ঐতিহ্যমণ্ডিত নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত মুখ্যমন্ত্ৰী ডা০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই তিনিখন আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ বেডমিন্টন 'হোবা ক'ৰ্ট' আমালৈ প্ৰদান কৰি আমাৰ খেলুৱৈ সকলক উপকৃত কৰে। লগতে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা অসম টেবুল টেনিছ সন্থাৰ সভাপতি শ্ৰীপিযুষ হাজৰিকাদেৱে আমালৈ পাঁচখন আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ টেবুল টেনিছ ব'ৰ্ড প্ৰদান কৰি আমাৰ টেবুল টেনিছ খেলুৱৈসকলক উৎসাহিত কৰে। আমি এই সুযোগতে নগাঁও ক্ৰীড়া সংস্থাৰ ফালৰ পৰা মাননীয় অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আগলৈও যাতে আমাৰ ক্ৰীড়া সংস্থালৈ সহায়আৰু সহযোগিতা আগবঢ়াব বুলি আশা কৰিছো।

ক্ৰমশঃ২

নগাঁও ক্ৰীড়া সংস্থাৰ দ্বাৰা আয়োজিত চতুৰ্থ বজৰংলাল নাহাতা ক্ৰীড়া সপ্তাহ সমাৰোহ ২২ মাৰ্চৰ পৰা ৩০ মাৰ্চ, ২০২৫ তাৰিখলৈকে অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে, নগাঁও ক্ৰীড়া সংস্থাৰ অন্তৰ্গত বাৰটা বিভাগৰ খেলৰ ভিতৰত ক্ৰিকেট, ফুটবল আৰু চ্যুইমিং শাখাৰ বাদে বাকী ন-বিধ খেল এই ক্ৰীড়া সপ্তাহ সমাৰোহত অনুষ্ঠিত কৰা হয়। এই ক্ৰীড়া সপ্তাহ সমাৰোহৰ বাবে প্ৰয়াত বজৰংলাল নাহাতাৰ সুযোগ্য পুত্ৰদ্বয় ক্ৰমে- শ্ৰীপ্ৰেম নাহাতা আৰু শ্ৰীধনপত নাহাতা ডাঙৰীয়াই বিশেষভাৱে আমাক সহায় আগবঢ়ায়।তেখেতসকলক আমি এই সুযোগতে আন্তৰিক ধন্যবাদ জনালো।

এই বৰ্ষত নগাঁও ক্ৰীড়া সংস্থাৰ সকলো বিভাগৰ পৰা যিসকল খেলুৱৈক নগাঁও জিলাৰ পৰা প্ৰতিনিধিত্ব কৰি বিভিন্ন পৰ্য্যায়ত অসম দলৰ হৈ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাগ লৈ নগাঁও ক্ৰীড়া সংস্থাৰ লগতে জিলা ও ৰাজ্যখনলৈ যি গৌৰৱ কঢ়িয়াই আনিলে, এইসকল খেলুৱৈলৈ আমি আমাৰ সংস্থাৰ ফালৰ পৰা হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছো। লগতে আৰু খেলুৱৈসকলৰ নামসমূহ বিভাগীয় শাখা সম্পাদকৰ দাখিল কৰা প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে, নগাঁও ক্ৰীড়া সংস্থাই এই বৰ্ষত আন্তঃজিলা চিনিয়ৰ মহিলা হকী প্ৰতিযোগিতা নুৰুল আমিন ষ্টেডিয়ামত সুচাৰুৰূপে পালন কৰে। উক্ত প্ৰতিযোগিতাত নগাঁও মহিলা দলে ৰাণাৰ্ছৰ সন্মান লাভ কৰে। লগতে আন্তঃজিলা চিনিয়ৰ কাবাদী প্ৰতিযোগিতাত নগাঁৱৰ পুৰুষ দলে বিজয়ী সন্মান অৰ্জনেৰে নগাঁও ক্ৰীড়া সংস্থালৈ গৌৰৱ কঢ়িয়াই আনিছে আৰু ইয়াৰ লগতে এই বছৰ হৈ যোৱা আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতা নগাঁৱত অনুষ্ঠিত হৈছিল। উক্ত প্ৰতিযোগিতাত নগাঁও দলে সুন্দৰ ফলাফল দেখুৱাই নগাঁও ক্ৰীড়া সংস্থালৈ গৌৰৱ কঢ়িয়াই আনিছে। এই বছৰ পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা খেল' ইণ্ডিয়া অস্মিতা হকী লীগ প্ৰতিযোগিতাত নগাঁও মহিলা দলটোৱে জুনিয়ৰ শাখাত চেম্পিয়ণশ্বিপ অৰ্জন কৰাৰ লগতে চাব-জুনিয়ৰ শাখাত তৃতীয় স্থান দখল কৰি নগাঁও ক্ৰীড়া সংস্থালৈ গৌৰৱ কঢ়িয়াই আনিছে। এই বছৰতেই আন্তঃজিলা চাব-জুনিয়ৰ মহিলা হকী প্ৰতিযোগিতাতো বিজিত সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে, নগাঁও ক্ৰীড়া সংস্থাই এই বৰ্ষত আন্তঃজিলা জুনিয়ৰ মহিলা বাস্কেটবল প্ৰতিযোগিতাখনি যোৱা ১৯ জুলাইৰ পৰা ২১ জুলাইলৈ আয়োজন কৰা হৈছিল। উক্ত প্ৰতিযোগিতাত ১৪ খন জিলা দলে যোগদান কৰি প্ৰতিযোগিতাখনি সফল কৰাত আমাক সহযোগিতা আগবঢ়ায়। এই প্ৰতিযোগিতাখনি আমাক আয়োজন কৰিবলৈ সুযোগ দিয়াত আমি অসম বাস্কেটবল সন্থাৰ সভাপতি তথা প্ৰাক্তন সাংসদ ও প্ৰাক্তন মন্ত্ৰী শ্ৰীপল্লৱ লোচন দাসদেৱক ক্ৰীড়া সংস্থাৰ ফালৰ পৰা আমি ধন্যবাদ জ্ঞাপন কৰিছো। লগতে উক্ত প্ৰতিযোগিতাত সামৰণি অনুষ্ঠানত উপস্থিত থাকি আমাৰ এই প্ৰতিযোগিতাখই সফল সামৰণি কৰাৰ বাবে আমি অসম বাস্কেটবল সন্থাৰ মুখ্যপৃষ্ঠপোষক শ্ৰীযুতা ৰিনিকী ভূঞা শৰ্মা ডাঙৰীয়ানীক আমাৰ ফালৰ পৰা কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

পোনপ্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ জিমনাষ্টিকছৰ এক চেমিনাৰ ও অফিচিয়েল সকলৰ পৰীক্ষা অসম জিমনাষ্টিকছৰ উদ্যোগত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নগাঁও ক্ৰীড়া সংস্থাৰ স্প'ৰ্টছ ক্লাৱ পেভিলিয়ন আৰু ইনড'ৰ ষ্টেডিয়ামত আয়োজন কৰা হয়।

গুৱাহাটী ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত ৭০ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাখন সুদূৰ প্ৰসাৰিত কৰাৰ বাবে এইবাৰৰ পৰা গুৱাহাটীতে অকল অনুষ্ঠিত নকৰি অসমৰ বিভিন্ন জিলাৰ ক্ৰীড়া সংস্থাৰ সহযোগত বিভিন্ন ঠাইত অনুষ্ঠিত কৰা হৈছিল। সেইদৰে নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত জুৰিয়া প্ৰেছ ক্লাব আৰু জুৰিয়া নিউ মিলন ক্লাবৰ সহযোগত জুৰিয়া খেলপথাৰত জিলা পৰ্য্যায়ৰ আঠটা দলৰ মাজত অনুষ্ঠিত কৰা হৈছিল। চুড়ান্ত খেলত ত্ৰিনয়ন গোষ্ঠীয়ে ষ্টাৰ স্প'ৰ্টিং ক্লাবক পৰাস্ত কৰি (মধ্য) মণ্ডল পৰ্য্যায়ত মৰিগাঁৱত খেলিছিল। মৰিগাঁৱত নগাঁৱৰ ত্ৰিনয়ন গোষ্ঠীয়ে মৰিগাঁৱৰ নৱজ্যোতি ক্লাবৰ হাতত পৰাজয়বৰণ হ'লেও গুৱাহাটীত চূড়ান্ত পৰ্য্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি জিলাখনলৈ সুনাম অৰ্জন কৰে।

এইখিনিতে উল্লেখ কৰিব বিচাৰো যে, অসম ক্ৰিকেট সন্থাই নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট ইনড'ৰ ষ্টেডিয়ামখন আটকধুনীয়াৰে প্ৰায় ২৫ লাখ টকাৰ ব্যয়ৰে নতুনকৈ নিৰ্মাণ কৰি দিয়ে। লগতে অসম ক্ৰিকেট সন্থাই নুৰুল আমিন ষ্টেডিয়ামৰ খেল পথাৰত টাৰ্ফ পিট্‌ছ বনোৱাৰ উদ্দেশ্যেৰে সংস্থাক সৰহ সংখ্যক উপযুক্ত মাটি প্ৰদান কৰি সুবিধা কৰি দিয়ে। তাৰোপৰি অসম ক্ৰিকেট সন্থাই এই বছৰে Grass Cutting Machine এটা, Mini Super Soccer এটা আৰু পিট্‌ছ কভাৰ ত্ৰিপালও নগাঁও ক্ৰীড়া সংস্থাক প্ৰদান কৰি উপকৃত কৰে। এই সুযোগতে অসম ক্ৰিকেট সন্থাৰ মাননীয় সভাপতি, সম্পাদক আৰু অন্যান্য বিষয়ববীয়া সকলক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছো।

ক্ৰমশঃ৩

এই খিনিতে উল্লেখ কৰিব বিচাৰো যে, অসম হকীয়ে নগাঁও ক্ৰীড়া সংস্থাক প্ৰায় ৫ লাখ টকাৰ হকী খেলৰ কাৰ্বন ষ্টিক লগতে হকী গ'ল কিপিং কিটছ আৰু হেলমেট ও লেগ গাৰ্ড আদি প্ৰদান কৰাৰ বাবে অসম হকীৰ সভাপতি, সম্পাদক আৰু সমূহ বিষয়ববীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছো।

**নগাওঁ ক্ৰীড়া সংস্থাৰ নতুন কাৰ্য্যকৰী সমিতিয়ে কাৰ্য্যভাৰ লোৱাৰ পিচত কিছু উল্লেখনীয় কাম-কাজ ঃ**

১) ৰামনাথ শৰ্মা সভাকক্ষৰ ক্ষয়-ক্ষতি হোৱা টাইল্চ আৰু দৰ্জা-খিড়িকী সমূহক নতুনকৈ মেৰামতি কৰি দিয়া হয়।
২) সংস্থাৰ যুটীয়া সম্পাদকৰ কক্ষ নতুনকৈ নিৰ্মাণ কৰি লগতে দুটা নতুন টেবুলো তৈয়াৰী কৰি দিয়া হয়।
৩) সংস্থাৰ কোষাধ্যক্ষৰ কক্ষটোও নতুনকৈ সজাই তোলা হয়।
৪) কাৰ্য্যালয়ৰ নতুনকৈ জাননী আৰি দিয়াৰ বাবে এটা বক্স নিৰ্মাণ কৰা হয়।
৫) স্প'ৰ্টছ ক্লাব কমপ্লেক্সত বিকল হৈ থকা চি চি টিভি কেমেৰা সমূহ সলনি কৰি নতুনকৈ সকলো উন্নত মাণৰ কেমেৰা লগোৱা হয়। লগতে চি চি টিভিৰ কন্ট্ৰ'ল ব'ৰ্ড এখনো লগোৱা হয়।
৬) খোৱা পানীৰ বাবে এটি Cold Driking Water Freez ৰ সু-ব্যৱস্থা কৰা হৈছে ইনড'ৰ ষ্টেডিয়ামৰ কমপ্লেক্সত।
৭) ইনড'ৰ ষ্টেডিয়ামৰ V.I.P ৰুমত নতুনকৈ এটি এ. চি. নতুনকৈ লগোৱা হয়।

নগাওঁ ক্ৰীড়া সংস্থাই এই বছৰত যিকেইটা বিভাগত খেলুৱৈসকলৰ প্ৰশিক্ষকৰ অভাৱ আছিল, সেই কেইটা বিভাগত ইতিমধ্যে প্ৰশিক্ষক নিযুক্তি কৰি সেই বিভাগসমূহৰ খেলুৱৈসকলক প্ৰশিক্ষণ দিয়াৰ সু-ব্যৱস্থা কৰা হৈছে। লগতে তেওঁলোকক মাহেকীয়া মাননীও দিয়াৰ ব্যৱস্থা কৰা হৈছে।

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি তথা স্থানীয় বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাদেৱে নিষ্ঠা ও সুচিন্তাৰে সেৱা আগবঢ়াইছে। লগতে খেলুৱৈ তথা নগাওঁ ক্ৰীড়া সংস্থাৰ অভাৱ-অভিযোগসমূহো অভিভাৱক হিচাপে যেনেদৰে নিৰাময় কৰিছে, আমি তেখেতক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

বিগত সময়ছোৱাত নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় উপ-সভাপতিসকল, কোষাধ্যক্ষ, খেলপথাৰ সম্পাদক, যুটীয়া সম্পাদকদ্বয়, সহকাৰী সম্পাদকদ্বয়, বিভিন্ন খেলৰ শাখা-সম্পাদকসকল আৰু সহকাৰী সম্পাদকসকল আৰু কাৰ্য্যকৰী সদস্যসকলে বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়াই এই কৰ্মবহুল ক্ৰীড়া সংস্থাটোৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে সহায়-সহযোগিতা আগবঢ়ালে, তেখেতসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

নগাওঁ ক্ৰীড়া সংস্থাৰ বিভিন্ন শাখাত সকলো প্ৰশিক্ষক সেৱা আগবঢ়োৱাৰ বাবে আৰু বিভিন্ন ক্ষেত্ৰখনত যিসকলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নগাঁও ক্ৰীড়া সংস্থাক সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো। নগাওঁ ক্ৰীড়া সংস্থাৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ তত্বাৱধায়ক শ্ৰীঅজিত ডেকাকো বিশেষভাৱে ধন্যবাদ জনালো।

সদৌ শেষত এই বাৰ্ষিক প্ৰতিবেদনৰ যোগেদি নগাওঁ ক্ৰীড়া সংস্থাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো।

**শ্ৰীতপন কুমাৰ দাস**
সাধাৰণ সম্পাদক,
নগাওঁ ক্ৰীড়া সংস্থা,
নগাওঁ ঃঃ অসম।

**“ জয় হিন্দ ” জয় আই অসম ”**

**।। “ জয়তু নগাওঁ ক্ৰীড়া সংস্থা ” ।।**